**2026**

ASSAMESE

( Minor )

Paper : ASS4400704MN

( অসমীয়া কবিতা )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) ‘ৰামায়ণ’ৰ উপৰিও আৰু কি কাব্যত মাধৱ কন্দলিৰ ভণিতা পোৱা যায় ?

(খ) শংকৰদেৱে ৰচনা কৰা এখন কাব্যৰ নাম লিখা।

(গ) ‘গীতি ৰামায়ণ’ কাৰ ৰচনা ?

(ঘ) ভোলানাথ দাস কোন যুগৰ কবি ?

(ঙ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটো কি ?

(চ) দেৱকান্ত বৰুৱাই তেওঁৰ কবিতাত ব্যৱহাৰ কৰা ছন্দটোৰ নাম কি ?

(ছ) ‘হে অৰণ্য হে মহানগৰ’ কাব্যগ্ৰন্থৰ ৰচক কোন ?

(জ) জ্ঞানপীঠ বঁটা লাভ কৰা এজন অসমীয়া কবিৰ নাম লিখা।

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) শংকৰদেৱে অনুবাদ কৰা ভাগৱতৰ দুটা স্কন্ধৰ নাম লিখা।

(গ) প্ৰাক্-ৰোমান্টিক যুগৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

(ঘ) ‘জোনাকী’ আলোচনী কেতিয়া আৰু ক’ৰ পৰা প্ৰকাশ হৈছিল ?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা কাব্যসংকলন দুখনৰ নাম কি কি ?

(চ) ‘প্ৰতিমাৰ খনিকৰ’ বুলি কাক কোৱা হয়? বেজবৰুৱাই ‘প্ৰতিমা’ৰ প্ৰসংগত কি কৈছিল ?

(ছ) কেতিয়া আৰু কোনখন কাব্যপুথিৰ বাবে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(জ) যুগসন্ধিৰ কবি বুলি কাক কোৱা হয়? কোনজন পাশ্চাত্য কবিৰ প্ৰভাৱ তেওঁৰ কবিতাত দেখা পোৱা যায় ?





(ঝ) নৱকান্ত বৰুৱাৰ দুখন উপন্যাসৰ নাম লিখা।

(ঞ) অজিৎ বৰুৱাৰ দুখন কাব্যসংকলনৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ‘‘কবিসব নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।’’
কোনে, কি প্ৰসংগত কৈছিল, আলোচনা কৰা।

(খ) ৰাম-লক্ষ্মণ-সীতাৰ বনগমনৰ পিছত প্ৰজাসাধাৰণৰ অৱস্থা কেনেকুৱা হৈছিল, ‘ৰামবিহীন অযোধ্যা’—শীৰ্ষক কবিতাৰ আধাৰত লিখা।

(গ) দুৰ্গাবৰৰ ‘গীতি ৰামায়ণ’ত মাধৱ কন্দলিৰ ‘ৰামায়ণ’ৰ প্ৰভাৱ কিদৰে পৰিছে, আলোচনা কৰা।

(ঘ) ‘শৰৎ বৰ্ণনা’ কবিতাত ভক্তিৰ মাহাত্ম্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতি সম্পৰ্কে এটা আলচ যুগুত কৰা।

(চ) ‘গোলাপ’ কবিতাত প্ৰেমৰ অনুভূতি কিদৰে প্ৰকাশিত হৈছে, লিখা।

(ছ) দেৱকান্ত বৰুৱাৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(জ) নীলমণি ফুকনৰ কবিতা আলোচনা কৰা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) মাধৱ কন্দলিৰ 'ৰামবিহীন অযোধ্যাৰ বৰ্ণনা'-শীৰ্ষক কাব্যাংশৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(খ) শৰৎকালৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা শংকৰদেৱৰ 'শৰৎ বৰ্ণনা'ত কিদৰে উদ্ভাসিত হৈ উঠিছে, আলোচনা কৰা।

(গ) দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাটোৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা।

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়' কবিতাত ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঙ) নৱকান্ত বৰুৱাৰ কাব্যকৃতি আলোচনা কৰি তেওঁৰ 'পলস' কবিতাটোৰ বিষয়ে লিখা।

★★★